জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩১৪/২০২২**

# ৰাজ্যিক বিষয়া আৰু কৰ্মচাৰীৰ মৰগীয়া বানচ ৪ শতাংশ বৃদ্ধিৰ কথা ঘোষণা মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২৩ অক্টোবৰ** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যিক বিষয়া আৰু কৰ্মচাৰীৰ মৰগীয়া বানচ ৪ শতাংশ বৃদ্ধি কৰাৰ কথা আজি ঘোষণা কৰিছে। এই বৃদ্ধি ২০২২ বৰ্ষৰ পহিলা জুলাইৰ পৰা কাৰ্যকৰী হ'ব। চলিত মাহৰ দৰমহাৰ সৈতে বিষয়া-কৰ্মচাৰীসকলৰ লগতে ৰাজ্য চৰকাৰৰ পেঞ্চনাৰ আৰু পৰিয়াল পেঞ্চন লাভ কৰোতাসকলেও এই বৰ্দ্ধিত মৰগীয়া বানচ লাভ কৰিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই ৪ শতাংশ মৰগীয়া বানচ বৃদ্ধিয়ে উৎসৱৰ এই সময়ছোৱা অধিক আনন্দময় কৰি তুলিব বুলি আশা প্ৰকাশ কৰিছে।

উল্লেখ্য যে, ইয়াৰ পূৰ্বে ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰীসকলে চলিত বৰ্ষৰ জানুৱাৰী মাহৰ পৰা কাৰ্যকৰী হোৱাকৈ ৩৪ শতাংশ মৰগীয়া বানচ লাভ কৰি আহিছিল। চলিত বৰ্ষৰ পহিলা জুলাইৰ পৰা কাৰ্যকীৰ হ'বলগীয়া এই নতুন নিৰিখমৰ্মে এতিয়াৰে পৰা ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰীসকলে ৩৮ শতাংশ মৰগীয়া বানচ লাভ কৰিব।

**নিঃকুঃদাঃ**
**২৩/১০/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in